অসম বিধান সভা

**তৰাবিহীন প্ৰশ্ন নং – ১৮৬**

উত্তৰ দিয়াৰ তাৰিখ : ০৯/০৭/২০২৬

**বিধায়কৰ নাম:** **শ্ৰীৰেকিবুদ্দিন আহমেদ**

**বিষয়:** **বিভাগটোৱে লোৱা উন্নয়নমূলক কাম-কাজৰ খতিয়ান সম্পৰ্কে।**

**: প্ৰশ্ন :**

**মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) গুৱাহাটীত চৰকাৰী পানী যোগান প্ৰকল্প ক'ত ক'ত আছে ? তাৰ তালিকা দিব। এই প্ৰকল্পসমূহ কোনে পৰিচালনা কৰি আছে, কোনটো প্ৰকল্পত কিমান টকা ব্যয় হৈছে, কিমান পৰিয়ালক নিয়মীয়াকৈ পানী যোগান ধৰা হয় তাৰ তথ্য দাখিল কৰিব।

(খ) গুৱাহাটীত নিৰ্মাণ সম্পূৰ্ণ নোহোৱাকৈ থকা পানী যোগান প্ৰকল্পৰ তালিকা দাখিল কৰিব । এই প্ৰকল্প সমূহৰ কাম কেতিয়া আৰম্ভ হৈছিল, কিমান টকা ব্যয় হ'ব আৰু কেতিয়া শেষ কৰাৰ পৰিকল্পনা কৰা হৈছিল সেই বিষয়ে বিতংকৈ জনাব ।

(গ) গুৱাহাটী জাইকা (JICA) সাহাৰ্য্যপ্ৰাপ্ত পানী যোগান প্ৰকল্পৰ কাম চলি আছে নেকি বা কাম সম্পূৰ্ণ হৈছে নেকি ? এই প্ৰকল্পৰ ব্যয় কিমান, কেতিয়াৰ পৰা কাম আৰম্ভ হৈছিল, কিমান পৰিয়াল উপকৃত হৈছে বা উপকৃত হ'ব সেই বিষয়ে বিতংকৈ জনাব ।

(ঘ) গুৱাহাটীত জাইকা সাহাৰ্য্য আৰু অন্য প্ৰকল্পৰ কাম চলি আছে নেকি বিতংকৈ জনাব ।

(ঙ) সমীক্ষা অনুসৰি গুৱাহাটীত কিমান পৰিয়ালত পানীৰ সংযোগৰ প্ৰযোজন । এতিয়ালৈ চৰকাৰে কিমান পৰিয়ালক পানী যোগান ধৰিবলৈ সক্ষম হৈছে ?

(চ) স্মাৰ্ট চিটি প্ৰকল্পৰ অধীনত ২০১৬ চনৰ পৰা গুৱাহাটীকে ধৰি অসমৰ অন্যান্য চহৰত কি কি আঁচনি লোৱা হৈছে, কিমান আঁচনি ৰূপায়ন কৰা হৈছে, কোনখন আঁচনিত কিমান টকা ব্যয় হৈছে বিতংকৈ জনাব ।

**: উত্তৰ :**

**গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী কৌশিক ৰায়দেৱে উত্তৰ দিব–**

**(ক)** গুৱাহাটী জল ব'ৰ্ডৰ অধীনত, গুৱাহাটী মহানগৰ খোৱা পানী যোগান প্ৰকল্পৰ সমূহৰ তালিকা খন তলত দিয়া হ'ল :-

১) **দক্ষিণ-মধ্য গুৱাহাটী পানী যোগান প্ৰকল্প (৯৬.৭৫%):-** দক্ষিণ-মধ্য গুৱাহাটীৰ অন্তৰ্গত অঞ্চল সমূহ এই প্ৰকল্পৰ আওতাত সামৰি লোৱা হৈছে।

২) **উত্তৰ গুৱাহাটী পানী যোগান প্ৰকল্প (৯৫.৭৫%):-** উত্তৰ গুৱাহাটীৰ অন্তৰ্গত অঞ্চল সমূহ এই প্ৰকল্পৰ আওতাত সামৰি লোৱা হৈছে।

৩) **দক্ষিণ-পশ্চিম গুৱাহাটী পানী যোগান প্ৰকল্প (৭২%):-** দক্ষিণ-পশ্চিম গুৱাহাটীৰ অন্তৰ্গত অঞ্চল সমূহ এই প্ৰকল্পৰ আওতাত সামৰি লোৱা হৈছে।

৪) **দক্ষিণ-পূৱ গুৱাহাটী পানী যোগান প্ৰকল্প (১৭%):-** দক্ষিণ-পূৱ গুৱাহাটীৰ অন্তৰ্গত অঞ্চল সমূহ এই প্ৰকল্পৰ আওতাত সামৰি লোৱা হৈছে।

৫) **জু-ৰোড পানী যোগান আচনি:-** এই প্ৰকল্পটো সম্পূৰ্ন হৈছিল ১৯৯৬ চনত । দক্ষিণ-মধ্য আৰু দক্ষিণ-পূৱ গুৱাহাটীৰ অন্তৰ্গত অঞ্চল সমূহ এই আচনিৰ আওতাত সামৰি লোৱা হৈছে।

উপৰোক্ত প্ৰকল্প সমূহ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগ (DoHUA)-ৰ অধীনত গুৱাহাটী জ'ল ব'ৰ্ডে পৰিচালনা কৰি আছে।

এই প্ৰকল্প সমূহত ব্যয় হোৱা ধনৰ পৰিমাণ তলত উল্লেখ কৰা হ'ল:-

১) **দক্ষিণ-মধ্য আৰু উত্তৰ গুৱাহাটী পানী যোগান প্ৰকল্প:-** ১৪৫০.৮৭ কৌটি

২) **দক্ষিণ-পশ্চিম গুৱাহাটী পানী যোগান প্ৰকল্প:-** ১৩৩.৪৬ কৌটি

৩) **দক্ষিণ-পূব় গুৱাহাটী পানী যোগান প্ৰকল্প:-** ১৯২.৪৬ কৌটি

৪) **জু-ৰোড পানী যোগান আঁচনি : ৭৫.৩৯ কৌটি** (২০১৫ পৰা বৰ্তমানলৈ)

*(২০১৫ চনত জু-ৰোড পানী যোগান আঁচনিখন গুৱাহাটী জল ব'ৰ্ডৰ অধীনত হস্তান্তৰ কৰা হৈছিল। ইয়াৰ পূৰ্বে উক্ত আঁচনিখন "অসম নগৰীয়া পানী যোগান আৰু নিকাশী পৰিষদে" (AUWSSB) পৰিচালনা কৰি আহিছিল । ২০১৫ চনৰ পৰা বৰ্তমানলৈকে গুৱাহাটী জল ব'ৰ্ডৰ অধীনত। জু-ৰোড পানী যোগান আঁচনি খন গুৱাহাটী জল ব'ৰ্ডৰ সৈতে একত্ৰিকৰণ প্ৰক্ৰিয়া চলি আছে।)*

বৰ্তমানলৈ পানী যোগান ধৰা পৰিয়ালৰ সংখ্যা হ'ল:-

১) **দক্ষিণ-মধ্য গুৱাহাটী পানী যোগান প্ৰকল্প:-** ৮৩,৫৬৯ সংখ্যক পৰিয়াল।

২) **দক্ষিণ-পশ্চিম গুৱাহাটী পানী যোগান প্ৰকল্প:-** ১১১৭ সংখ্যক পৰিয়াল।

৩) **জু-ৰোড পানী যোগান আঁচনি:-** ৯০০ সংখ্যক পৰিয়াল।

ইয়াৰোপৰি, গুৱাহাটী পৌৰ নিগম (Guwahati Municipal Corporation)ৰ অধীনত বৰ্তমান ৩ (তিনি) টা পানী যোগান আঁচনি চলি আছে । সেই সমূহ হৈছে-

১) পানবজাৰ পানী যোগান আঁচনি।

২) সাতপুখুৰী পানী যোগান আঁচনি আৰু

৩) কামাখ্যা পানী যোগান আঁচনি।

এই তিনিটা প্ৰকল্পত বিগত বৰ্ষত প্ৰায় ৩,৫২,৪৯,৭৩২.০০ টকা *(তিনি কোটি বাৱন্ন লাখ ঊনপঞ্চাশ হাজাৰ সাতশ বত্ৰিশ)* ব্যয় কৰা হৈছে । এই আঁচনি কেইটাৰ অধীনত গুৱাহাটী পৌৰ নিগমে গুৱাহাটীৰ প্ৰায় ২১০০০ গ্ৰাহকক পানী যোগান ধৰি আহিছে ।

**(খ)** গুৱাহাটীত নিৰ্মান সম্পূৰ্ন নোহোৱাকৈ থকা পানী যোগান প্ৰকল্পৰ তালিকা খন তলত উল্লেখ কৰা হ'ল:-

১) **দক্ষিণ-মধ্য গুৱাহাটী পানী যোগান প্ৰকল্প (৯৬.৭৫%) :-** এই প্ৰকল্প আৰম্ভ কৰা হৈছিল ০১/০৩/২০১২ চনত আৰু এই প্ৰকল্পৰ কাম এই বছৰৰ ডিচেম্বৰলৈকে শেষ কৰাৰ লক্ষ্যৰে কাম কৰি থকা হৈছে। এই প্ৰকল্পটো ৩৬ মাহত শেষ কৰাৰ পৰিকল্পনা কৰা হৈছিল।

২) **উত্তৰ গুৱাহাটী পানী যোগান প্ৰকল্প (৯৫.৭৫%) :-** এই প্ৰকল্প আৰম্ভ কৰা হৈছিল ০৯/০৩/২০১২ চনত আৰু এই প্ৰকল্পৰ কাম এই বছৰৰ ডিচেম্বৰলৈকে শেষ কৰাৰ লক্ষ্যৰে কাম কৰি থকা হৈছে। এই প্ৰকল্পটো ২৮ মাহত শেষ কৰাৰ পৰিকল্পনা কৰা হৈছিল।

৩) **দক্ষিণ-পশ্চিম গুৱাহাটী পানী যোগান প্ৰকল্প (৭২%) :-** এই প্ৰকল্পটো জ'ল ব'ৰ্ডৰ অধীনত ০৬/১০/২০২৩ চনত আৰম্ভ কৰা হৈছিল । এই প্ৰকল্পৰ কাম অহা বছৰৰ মাজলৈ শেষ কৰাৰ লক্ষ্যৰে কাম কৰি থকা হৈছে। এই প্ৰকল্পটো ২৪ মাহত শেষ কৰাৰ পৰিকল্পনা কৰা হৈছিল।

৪) **দক্ষিণ-পূৰ গুৱাহাটী পানী যোগান প্ৰকল্প (১৭% in 'Phase-I')** :- এই প্ৰকল্প প্ৰথম প্ৰৰ্য্যায়ত (Phase-I) "Asian Development Bank"(ADB)-ৰ সাহাৰ্য্যত ০৯/০৩/২০১২ চনত আৰম্ভ হৈছিল আৰু ৩০ ছেপ্টেম্বৰ, ২০২১ শেষ কৰা হৈছিল।
তাৰপিচত, পৰবৰ্তী কামখিনি "New Development Bank"(NDB)-ৰ সাহাৰ্য্যত ১১/০৩/২০২৬ চনত আৰম্ভ কৰা হৈছে আৰু এই প্ৰকল্পটো শেষ কৰাৰ নিৰ্দ্ধাৰিত সময় হ'ল মে' ২০২৯ ।

প্ৰকল্প কেইটাৰ ব্যয় হ'বলগীয়া ধনৰ পৰিমাণ তলত উল্লেখ কৰা হল:-
১) দক্ষিণ-মধ্য আৰু উত্তৰ গুৱাহাটী পানী যোগান প্ৰকল্প = ১৭৪৬.৭৩ কৌটি
২) দক্ষিণ-পশ্চিম গুৱাহাটী পানী যোগান প্ৰকল্প = ৩২৪.৩৫ কৌটি
৩) দক্ষিণ-পূৰ গুৱাহাটী পানী যোগান প্ৰকল্প= ১৯২.৪৬ কৌটি

**(গ)** গুৱাহাটী জল ব'ডৰ অধীনত, দক্ষিণ-মধ্য গুৱাহাটী পানী যোগান প্ৰকল্প আৰু উত্তৰ গুৱাহাটী পানী যোগান প্ৰকল্পটো জাইকা অৰ্থ সাহাৰ্য্যৰে আৰম্ভ কৰা হৈছিল। যোৱা ডিচেম্বৰ ২০২৪ ত জাইকাই দিয়া ধন ৰাশি সম্পূৰ্ণ ব্যয় কৰা হৈছে এই প্ৰকল্পৰ কাম এই বছৰৰ ডিচেম্বৰলৈকে শেষ কৰাৰ লক্ষ্যৰে কাম কৰি থকা হৈছে।

দক্ষিণ-মধ্য আৰু উত্তৰ গুৱাহাটী পানী যোগান প্ৰকল্পত ব্যয় হোৱা ধনৰ পৰিমাণ হৈছে ১৪৫০.৮৭ কৌটি টকা ।
*(১৪২৫.৯৩ কৌটি টকা জাইকা ঋণৰ সাহাৰ্য্য ব্যয় কৰা হৈছে আৰু ২৪.৯৫ কৌটি টকা SOPD-ৰ পৰা ব্যয় কৰা হৈছে)*
১) **দক্ষিণ-মধ্য গুৱাহাটী পানী যোগান প্ৰকল্প:**- এই প্ৰকল্প আৰম্ভ কৰা হৈছিল ০১/০৩/২০১২ চনত আৰু এই প্ৰকল্পৰ জৰিয়তে ৮৩,৫৬৯ সংখ্যক পৰিয়াল উপকৃত হৈছে।
২) **উত্তৰ গুৱাহাটী পানী যোগান প্ৰকল্প:**- এই প্ৰকল্প আৰম্ভ কৰা হৈছিল ০৯/০৩/২০১২ চনত। এই প্ৰকল্পটো সম্পূৰ্ণ হ'লে ১৫,০০০ সংখ্যক পৰিয়ালক পানী দিবলৈ সক্ষম হ'ব ।

**(ঘ)** গুৱাহাটী জাইকা সাহায্যপ্ৰাপ্ত পানী যোগান প্ৰকল্পৰ বাহিৰে গুৱাহাটী পয়-প্ৰণালী প্ৰকল্পৰ (JICA assisted Guwahati Sewerage Project) কাম হাতত লোৱা হৈছে। বিতং তথ্য **পৰিশিষ্ট- 'ক'** ত দিয়া হ'ল।

**(ঙ)** সমীক্ষা অনুসৰি গুৱাহাটীত তলত দিয়া ধৰণে পানীৰ সংযোগৰ প্ৰয়োজন -

(১) দক্ষিণ-মধ্য গুৱাহাটী পানী যোগান প্ৰকল্প – প্ৰায় ১,১০,০০০ পৰিয়াল
(২) উত্তৰ গুৱাহাটী পানী যোগান প্ৰকল্প – প্ৰায় ১৫,০০০ পৰিয়াল
(৩) দক্ষিণ গুৱাহাটী পশ্চিম পানী যোগান প্ৰকল্প – প্ৰায় ৩০,০০০ পৰিয়াল
(৪) দক্ষিণ পূব-গুৱাহাটী পশ্চিম পানী যোগান প্ৰকল্প– প্ৰায় ৬৬,০০০ পৰিয়াল

বৰ্তমানলৈ পানী যোগান ধৰা পৰিয়ালৰ সংখ্যা হ'ল:-

১) দক্ষিণ-মধ্য গুৱাহাটী পানী যোগান প্ৰকল্প:- ৮৩,৫৬৯ সংখ্যক পৰিয়াল।
২) দক্ষিণ-পশ্চিম গুৱাহাটী পানী যোগান প্ৰকল্প:- ১১১৭ সংখ্যক পৰিয়াল।
৩) জু-ৰোড পানী যোগান আঁচনি:- ৯০০ সংখ্যক পৰিয়াল।

বৰ্তমানলৈ দক্ষিণ-মধ্য গুৱাহাটী পানী যোগান প্ৰকল্পৰ জৰিয়তে প্ৰায় ৯৮,৮৬৪ সংখ্যক পৰিয়ালক আৰু দক্ষিণ গুৱাহাটী পশ্চিম পানী যোগান প্ৰকল্প জৰিয়তে ৪,৫০০ সংখ্যক পৰিয়ালক পানী দিবলৈ সম্ভৱপৰ হৈ উঠিছে।

ইয়াৰোপৰি, গুৱাহাটী পৌৰ নিগমৰ অধীনত থকা তিনিটা পানী যোগান আঁচনিৰ জৰিয়তে গুৱাহাটীৰ প্ৰায় ২১,০০০ টা পৰিয়াললৈ খোৱাপানী যোগান ধৰিবলৈ সক্ষম হৈছে।

(চ) গুৱাহাটী স্মাৰ্ট চিটি প্ৰকল্পৰ অধীনত ২০১৬ চনৰ পৰা হাতত লোৱা আঁচনি সমূহৰ বিতং তথ্য **পৰিশিষ্ট-'খ'** ত দিয়া হ'ল।

*NB : Soft copy of the reply has also been submitted through the portal www.cms.neva.gov.in*

## JICA-ৰ সহায়ত ৰূপায়ণ হ'বলগীয়া গুৱাহাটী নৰ্দমা (Sewerage) প্ৰকল্প সম্পৰ্কীয় টোকা

JICA-ৰ সহায়ত ৰূপায়ণ হ'বলগীয়া গুৱাহাটী নৰ্দমা (Sewerage) প্ৰকল্পৰ মূল উদ্দেশ্য হৈছে আধুনিক নৰ্দমা ব্যৱস্থা গঢ়ি তুলি গুৱাহাটীত অনাময় ব্যৱস্থা, জনস্বাস্থ্য আৰু নাগৰিকসকলৰ জীৱনমান উন্নত কৰা। এই ব্যৱস্থাৰ অন্তৰ্গত নৰ্দমা নেটৱৰ্ক, পাম্পিং ষ্টেচন আৰু পয়ঃপ্ৰণালী শোধনাগাৰ (Sewage Treatment Plant - STP) স্থাপন অন্তৰ্ভুক্ত। ভাৰত চৰকাৰ আৰু জাপান আন্তঃৰাষ্ট্ৰীয় সহযোগিতা সংস্থা (Japan International Cooperation Agency - JICA)-ৰ মাজত ঋণ চুক্তি (Loan Agreement) ২০১৫ চনৰ ২৭ ফেব্ৰুৱাৰীত স্বাক্ষৰিত হৈছিল।

জ'ন-I (Zone-I)ৰ বাবে ২০১৩ চনত প্ৰস্তুত কৰা মূল বিশদ প্ৰকল্প প্ৰতিবেদন (DPR)ত এটা বিস্তৃত নৰ্দমা নেটৱৰ্কৰ জৰিয়তে ১৮৭ এম.এল.ডি. (MLD) ক্ষমতা যুক্ত এটা কেন্দ্ৰীয় নিষ্কাষণ প্ৰক্ৰিয়াকৰণ কেন্দ্ৰ (STP) লৈ আৱৰ্জনা কঢ়িয়াই নিয়াৰ এক পৰম্পৰাগত কেন্দ্ৰীকৃত নৰ্দমা ব্যৱস্থাৰ পৰিকল্পনা কৰা হৈছিল। অৱশ্যে, প্ৰস্তাৱিত STP-ৰ বাবে এটা উপযুক্ত আৰু সংলগ্ন ভূমিৰ খণ্ড উপলব্ধ নোহোৱাৰ বাবে ইয়াৰ ৰূপায়ণ আৰম্ভ কৰিব পৰা নগ'ল।

এই বাধা দূৰ কৰাৰ উদ্দেশ্যে JICA-ই ২০২১ চনত প্ৰকল্পটোৰ পুনৰ বৈধকৰণ (Revalidation)-ৰ প্ৰস্তাৱ আগবঢ়ায়, যি গুৱাহাটী জল ব'ৰ্ড (Guwahati Jal Board - GJB)-এ গ্ৰহণ কৰে। সেই অনুসৰি, ২০২২ চনত প্ৰকল্পৰ DPR পুনৰ বৈধকৰণ কৰা হয় আৰু ইয়াৰ আনুমানিক ব্যয় নিৰ্ধাৰণ কৰা হয় ₹১,৫৯৫ কোটি। সংশোধিত DPR-ত কেন্দ্ৰীভূত ব্যৱস্থাৰ পৰিৱৰ্তে বিকেন্দ্ৰীকৃত (Decentralized) নৰ্দমা ব্যৱস্থা গ্ৰহণ কৰা হয়। এই অনুসৰি Zone-I-ক তিনিটা স্বতন্ত্ৰ উপ-অঞ্চল (Sub-zone)-ত বিভক্ত কৰা হয়, য'ত প্ৰতিটো উপ-অঞ্চলৰ বাবে স্বতন্ত্ৰ নৰ্দমা নেটৱৰ্ক আৰু পয়ঃপ্ৰণালী শোধনাগাৰ (STP) স্থাপনৰ ব্যৱস্থা কৰা হৈছে।

সংশোধিত প্ৰস্তাৱ অনুসৰি তলত উল্লেখিত তিনিটা পয়ঃপ্ৰণালী শোধনাগাৰ (STP) নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে—

- শিলসাকো (Zone 1 – Sub-zone S1) – ৬৫ MLD
- বৰছলা (Zone 1 – Sub-zone S2) – ৬২ MLD
- পশ্চিম বৰাগাঁও (Zone 1 – Sub-zone S3) – ৬০ MLD

পৰৱৰ্তীসময়ত, জাইকা (JICA)-ই আলোচনাৰ কাৰ্য বিৱৰণী (MOD) সংশোধন কৰি সংশোধিত প্ৰকল্পৰ পৰিসৰ অন্তৰ্ভুক্ত কৰি এখন Aide-Mémoire জাৰি কৰে।

প্ৰকল্পৰ ব্যয় বৃদ্ধি, জাপানী য়েনৰ মূল্য হ্ৰাস আৰু JICA-ৰ সীমিত বিত্তীয় সহায় উপলব্ধ থকাৰ কথা বিবেচনা কৰি, প্ৰকল্পটো দুটা পৰ্যায়ত ৰূপায়ণ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। প্ৰথম পৰ্যায়ত (Phase-I) Sub-zone 1-S2 আৰু Sub-zone 1-S3-ৰ একাংশ অন্তৰ্ভুক্ত কৰা হৈছিল, যাৰ আনুমানিক ব্যয় আছিল ₹১,৪৬০.৩৭ কোটি। মাননীয় মন্ত্ৰী সভাই ২০২৪ চনত পৰ্যায় ক্ৰমিক ৰূপায়ণ কৌশল অনুমোদন কৰাৰ লগতে Phase-I-ৰ বাবে প্ৰশাসনিক অনুমোদন প্ৰদান কৰে। ফলস্বৰূপে, JICA-ই ঋণৰ সময় আঠ বছৰৰ বাবে বৃদ্ধি কৰি জুলাই ২০৩৩ লৈকে সম্প্ৰসাৰণ কৰে। পুনৰ বৈধকৰণ (Revalidated DPR) অনুসৰি Zone-1-ৰ, অৰ্থাৎ Sub-zone S1, S2 আৰু S3-সহ, মুঠ আনুমানিক প্ৰকল্প ব্যয় ₹১,৭৭০.৬২ কোটি। ইয়াৰপিছত, অসম চৰকাৰৰ নিৰ্দেশনা অনুসৰি সিদ্ধান্ত গ্ৰহণ কৰা হয় যে প্ৰথম পৰ্যায়ত (Phase-I) কেৱল Sub-zone 1-S2 (বৰছলা) অংশটোৱেই ৰূপায়ণ কৰা হ'ব।

ইতিমধ্যে প্ৰকল্পটোৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তুতি মূলক কাৰ্য সম্পূৰ্ণ কৰা হৈছে। Phase-I এলেকাৰ বাবে ড্ৰোন-ভিত্তিক LiDAR জৰীপ সম্পূৰ্ণ কৰা হৈছে আৰু Sub-zone 1-S2-ৰ নলা-নেটৱৰ্ক (Sewer Network)-ৰ চূড়ান্ত DPR দাখিল কৰা হৈছে। প্ৰস্তাৱিত Lift Pumping Station-সমূহৰ বাবে প্ৰয়োজনীয় ভূমি চিনাক্তকৰণ আৰু আৱণ্টনৰ উদ্দেশ্যে সংশ্লিষ্ট বিভাগসমূহৰ সৈতে সমন্বয় অব্যাহত আছে। সংশোধিত আলোচনাৰ কাৰ্যবিৱৰণী (MoD) বৰ্তমান চূড়ান্তকৰণৰ পৰ্যায়ত আছে আৰু অতি সোনকালে সকলো অংশীদাৰৰ স্বাক্ষৰৰ সম্ভাৱনা আছে। Pre-Qualification (PQ) নথিপত্ৰ ইতিমধ্যে JICA-লৈ প্ৰেৰণ কৰা হৈছে আৰু সংশোধিত MoD স্বাক্ষৰিত হোৱাৰ লগে লগে ঠিকাদাৰ নিৰ্বাচনৰ বাবে Pre-Qualification প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব।

~~Annexure-I~~ অসম/অ(ক) - ৪৮৩

**Projects executed by Guwahati Smart City Limited as on date from 2016-2026**

| No | Name of Project | Status | Expenditure in Cr |
|---|---|---|---|
| 1 | Design, Supply, Installation, Installation and maintenance of Project Jyoti Light pole and luminaries with all fightings on Design buuils and operate basis with O & M for One year | Completed | 13.90 |
| 2 | Installation of 20 Water ATM | Completed | 2.09 |
| 3 | Installation of 27 Smart Bio-Toilet | Completed | 8.58 |
| 4 | Design, Supply, Installation, Testing and Commissioning of National Flag including of Flag Post at Gandhi Mandap, Sarania Hills on Design buuils and operate basis with O & M for One year | Completed | 2.58 |
| 5 | Refrurbishment of Gandhi Mandap at Sarania Hills in Guwahati | Completed | 2.93 |
| 6 | Concept, Design, Supply, Installation, Testing and Commissioning of Light & Sound Show on Turnkey Basis with Operation & Maintenance for 3 years including collection of Revenue during Operation & maintenance period at Gandhi Mandap, Guwahati (Assam) | Completed | 5.49 |
| 7 | Gandhi Mandap Museum Renovation | Completed | 5.39 |
| 8 | Installation of High Mast Lights at Srimanta Sankardev Kalakshetra | Completed | 0.70 |
| 9 | Procurement of Drain Management Equipment | Completed | 25.74 |
| 10 | Procurement of 100 AC CNG Buses for ASTC | Completed | 33.74 |
| 11 | Procurement of 200 AC EV Buses for ASTC | Completed | 295.00 |
| 12 | Development of Judge Field | Completed | 5.66 |
| 13 | Implementation of Street Light poles under Project Jyoti Phase 2 Schemes on Design, Build, operate and maintenence basis with O & M period for 3 years | Completed | 14.76 |
| 14 | Development of Umananda Temple | Completed | 14.21 |
| 15 | Development of Aswaklanta Devalaya | Completed | 10.80 |
| 16 | Beautification and Streetscape in Srimanta Sankardev Kalashetra | Completed | 5.49 |
| 17 | Development of Brahmaputra Riverfront from New DC Bungalow to Kacharighat on Design Build and Operate Basis in Guwahati, Assam | Completed | 302.33 |
| 18 | "Implementation of Smart Street Lighting for Spine Roads in Guwahati on Design, Build, Operate Basis for 5 Years"" | Completed | 21.70 |
| 19 | "Concept, Design, Supply, Installation, Testing and Commissioning of Permanent Decorative Lighting, Musical Sprays, Multifaceted Spectacle on Turnkey Basis with Operation & Maintenance for 3 years period at Srimanta Sankaradeva Kalakshetra, Guwahati (Assam)" | 95% Completed | 7.57 |
| 20 | Intelligent City surveillaince system in Guwahati on design supply implementation and O & M | Completed | 105.87 |
| 21 | Selection of System Integrator for Implementation of Integrated Traffic Management System, ITMS in Guwahati | 85% Completed | 55.38 |
| 22 | Construction of Cultural Centre of Shri Shri Dakhinpat Satra Santi Ashram at Geetanagar, Guwahati | 65% Completed | 4.81 |



[signature] 1/7/2026